# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২৭ নৱেম্বৰ ২০২০ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত আলী (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান উদ্দীপক চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ
الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ
نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি হজৰত আলী বিন আবু তালিব (ৰাঃ)ৰ বিষয়ে স্মৃতিচাৰণ কৰা হ'ব। এখেত (ৰাঃ)ৰ দেউতাকৰ নাম আছিল আবদে মান্নাফ; যাৰ উপাধি (কুনয়িাত) আছিল আবু তালিব। হজৰত আলী (ৰাঃ)ৰ মাকৰ নাম আছিল ফাতিমা বিনতে আছাদ বিন হাশিম। হজৰত আলী (ৰাঃ)য়ে নবী কৰীম (ছাঃ)ৰ আৱিৰ্ভাবৰ দহ বছৰ আগত জন্ম গ্ৰহণ কৰিছিল। হজৰত আলি (ৰাঃ)ৰ চেহেৰা (আকৃতি) সম্পৰ্কে বৰ্ণিত আছে যে এখেত (ৰাঃ) বেছি ওখও নহয় বেছি চাপৰও নহয়, মধ্যম ধৰণৰ লোক আছিল; চকু যুৰি আছিল ক'লা শকত আৰত শৰীৰ আৰু বাহু বলিষ্ঠ আছিল। হজৰত আলী (ৰাঃ)ৰ তিনিজন ভাই তালিব,আকিল, জাফৰ আৰু দুজনী ভনী আছিল। ভনী দুজনীৰ নাম আছিল উম্মে হানী আৰু উম্মে জমানা। উক্ত ভাই-ভনী সকলৰ মাজত তালিব আৰু জমানাৰ বাদে সকলোৱে ইছলাম গ্ৰহণ কৰিছিল। আবুল হাচান,আবু ছুৰাতিন আৰু আবু তুৰাব আদি হজৰত আলি (ৰাঃ)ৰ কুনিয়াত আছিল। ছহী বুখাৰীত বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে এবাৰ হজৰত ফাতিমা (ৰাঃ)ৰ ঘৰলৈ আহি হজৰত আলি (ৰাঃ)ক ঘৰত পোৱা নাছিল। তেখেত (ছাঃ)য়ে সুধিছিল তোমাৰ খুৰাৰ ল'ৰাজন কলৈ গৈছে? হজৰত ফাতিমা (ৰাঃ)য়ে কৈছিল মোৰ আৰু তেওঁৰ মাজত কথা কটাকটি হোৱাত তেওঁ মোৰ ওপৰত অসন্তুষ্ট হৈ কৰবালৈ গুচি গৈছে আৰু মোৰ ওচৰত আৰাম কৰিবলৈ বাগৰ দিয়া নাই। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কোনো এজন লোকক কৈছিল বিচাৰি চোৱাচোন, তেওঁ (হজৰত আলি (ৰাঃ) ক'ত আছে। তেওঁ বিচাৰি আহি কৈছিল ইয়া ৰাছুলুল্লাহ ! তেওঁ মছজিদত শুই আছে। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে মছজিদলৈ গৈ দেখিছিল যে হজৰত আলি (ৰাঃ)য়ে তাত শুই আছে আৰু তেখেতৰ একাষৰ পৰা চাদৰ কোচ খাই গৈ গাঁত ধুলি-মাকতি (মাটি) লাগিছে। ৰছুলুল্লাহ (ছাঃ)য়ে মাটি মচি দিছিল আৰু কৈছিল উঠা হে আবু তুৰাব; হে আবু তুৰাব উঠা। তেতিয়াৰ পৰা আবু তুৰাব এখেতৰ কুনিয়াত হৈ পৰিছিল আৰু এই নামেৰে এখেত (ৰাঃ)ক মাতা হৈছিল।

হজৰত আলি (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ আশ্ৰয়ত কেনেকৈ আহিছিল এই সম্পৰ্কে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত আবু তালিব এজন বৰ মৰ্যাদা সম্পন্ন লোক আছিল। কিন্তু দৰিদ্ৰ আছিল আৰু অভাৱ অনাটনত দিন কটাইছিল। বিশেষকৈ সেই সময় ছোৱাত যেতিয়া মক্কাত দুৰ্ভিক্ষ চলি আছিল

এখেতে বৰ কষ্টেৰে দিন অতিবাহিত কৰিছিল। আঁ-হজৰত (ছাঃ)য়ে নিজৰ খুৰাকৰ এনেকুৱা অভাৱ অনাটন আৰু কষ্ট দেখি নিজৰ আন এজন খুৰা আববাছক এদিন কৈছিল যে খুৰাদেউ আপোনাৰ ভাই আবু তালিবৰ বৰ অভাৱ অনাটন চলি আছে। আপুনি তেওঁৰ পুত্ৰ সকলৰ এজনক নিজৰ ঘৰত লৈ গলে ভাল হ'লহেঁতেন আৰু এজনক মই লৈ যাওঁ। আববাছে উক্ত পৰামৰ্শত সন্মত হয় আৰু দুয়ো মিলি আবু তালিবৰ ওচৰত গৈ আবেদন জনায় যে এখেতৰ পুত্ৰ সকলৰ দুজনক এওঁলোক দুজনৰ আশ্ৰয়ত দিব লাগে। আবু তালিব নিজৰ সন্তান সকলৰ মাজত আকিলক বৰ ভাল  পাইছিল। তেখেতে কৈছিল আকিলক মোৰ ওচৰত থাকিবলৈ দিয়া আৰু বাকী সকলক তোমালোকৰ ইচ্ছা হলে লৈ যোৱা। গতিকে জাফৰক আববাছে নিজৰ ঘৰলৈ লৈ গৈছিল আৰু হজৰত আলি (ৰাঃ)ক আঁ-হজৰত (ছাঃ)য়ে নিজৰ লগত লৈ আনিছিল।। তেতিয়া হজৰত আলি (ৰাঃ)ৰ বয়স আছিল প্ৰায় ছয় সাত বছৰ। ইয়াৰ পিছৰ পৰা হজৰত আলি (ৰাঃ)য়ে সদায় আঁ-হজৰত (ছাঃ)ৰ ওচৰত থাকিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ বিশ্বাস স্থাপন কৰা সম্পৰ্কে কৈছে যে যেতিয়া আঁ-হজৰত (ছাঃ)য়ে নিজৰ ঘৰত খোদা তা'লাৰ ওহী সম্পৰ্কে আলোচনা কৰিছিল তেতিয়া জায়েদ বিন হাৰিছ (ৰাঃ)(গোলাম) যিজন আঁ-হজৰত (ছাঃ)ৰ ঘৰত থাকিছিল আগবাঢ়ি আহি কৈছিল ইয়া ৰাছুলুল্লাহ (ছাঃ)! মই আপোনাত বিশ্বাস স্থাপন কৰিলোঁ। ইয়াৰ পিছত হজৰত আলি (ৰাঃ) যাৰ বয়স হৈছিল তেতিয়া এঘাৰ বছৰ এখেতে তেতিয়া একেবাৰে বালকই আছিল; আৰু এই আলোচনাৰ মুহূৰ্তত এখেত দৰ্জাত আউজি থিয় হৈ কথাবোৰ শুনি আছিল; যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত খাদিজা (ৰাঃ)ক কৈছিল যে খোদা তা'লাৰ পৰা বাৰ্তা অৱতীৰ্ণ হৈছে তেতিয়া এইজন আলি (ৰাঃ); যিজন এজন চোকা বুদ্ধি আৰু সাৱধান বালক আছিল; এইজন আলি (ৰাঃ); যাৰ ভিতৰত সজ প্ৰবণতা আছিল; এইজন আলি (ৰাঃ) যাৰ ভিতৰত সজ সৰলতা আৰু নেকিৰ আগ্ৰহ উদগ্ন হৈ পৰিছিল কিন্তু এয়া প্ৰকাশিত হ'ব পৰা নাছিল। এইজন আলি (ৰাঃ) যাৰ উচ্চ বোধশক্তি আছিল কিন্তু সেয়া তেতিয়াও বুকুতে শৃংখলিত হৈ আছিল; আৰু এই আলি (ৰাঃ) যাৰ হৃদয়ত আল্লাহ তা'লা গ্ৰহণ যোগ্যতা স্থাপন কৰি থৈছিল। কিন্তু এয়া গতি প্ৰাপ্ত হোৱাৰ সুযোগ পোৱা নাছিল। সেয়ে তেখেতে যেতিয়া দেখিছিল যে এতিয়া তেখেতৰ আগ্ৰহ প্ৰকাশৰ উপযুক্ত সময় উপস্থিত হৈছে; যেতিয়া তেখেতে দেখিছিল যে এতিয়া তাৰ বোধশক্তি প্ৰকাশৰ সময় আহি পৰিছে। যেতিয়া তেখেতে দেখিছিল যে এতিয়া খোদা তা'লা তাক নিজৰ ফালে আহ্বান কৰি আছে তেতিয়া এই বালক হজৰত আলি (ৰাঃ)নিজৰ বেদনা সিক্ত ব্যাকুল হৃদয়ৰ সৈতে লাজকুৰীয়া ভাৱ মূৰ্ত্তিৰে আগুৱাই আহি আবেদন কৰিছিল যে ইয়া ৰাছুলুল্লাহ ! যি বিষয়ত মোৰ খুৰীয়ে বিশ্বাস স্থাপন কৰিছে আৰু যি বিষয়ৰ ওপৰত জায়েদে ঈমান আনিছে সেই বিষয়ৰ ওপৰত মইয়ো বিশ্বাস স্থাপন কৰিলোঁ।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এবাৰ আঁ-হজৰত (ছাঃ) আৰু হজৰত আলি (ৰাঃ)য়ে মক্কাৰ কোনো এখন ঘাটিত নমাজ পঢ়ি আছিল এনেতে সেই ফালেৰে আবু তালিব পাৰ হৈ গৈছিল। আবু তালিবে তেতিয়ালৈকে ইছলামৰ কোনো খবৰ শুনা নাছিল সেয়ে তেখেতে থিয় দি আচৰিত হৈ নমাজ পঢ়াৰ দৃশ্য চাই আছিল। যেতিয়া আঁ-হজৰত (ছাঃ)য়ে নমাজ পঢ়া শেষ কৰিছিল তেতিয়া আবু তালিবে সুধিছিল হে ভতিজা! এয়া কি ধৰ্ম যি তুমি পালন কৰি আছা ? আঁ-হজৰত (ছাঃ)য়ে উত্তৰ দিছিল- খুৰাদেউ,এয়া দ্বীনে ইলাহি আৰু দ্বীনে ইব্ৰাহিম হয়। লগে লগে তেখেত (ছাঃ)য়ে হজৰত আবু তালিবক চমুকৈ ইছলামৰ দাওৱাত(আহ্বান) জনাইছিল। কিন্তু আবু তালিবে এয়া কৈ মূৰ সলাইছিল যে মই নিজৰ বাপ-দাদাৰ ধৰ্ম এৰিব নোৱাৰো। লগে লগে নিজৰ পুত্ৰ হজৰত আলি (ৰাঃ)ক কৈছিল হয় পুত্ৰ, তুমি নিশ্চয় মহম্মদ (ছাঃ)ৰ লগ দিব পাৰা কাৰণ মোৰ বিশ্বাস যে তেওঁ তোমাক নেকিৰ বাহিৰে বেলেগ ফালে মাতি লৈ নাযায়।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এবাৰ আঁ-হজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক নিৰ্দেশ দিছিল যে এটা নিমন্ত্ৰণৰ বন্ধবস্ত কৰা আৰু তাত বনু আব্দুল মুতালিবক নিমন্ত্ৰণ দিয়া যাতে এই উপায়েৰে তাক সত্যৰ বাৰ্তা দিব পৰা যায়। সেয়ে হজৰত আলি (ৰাঃ)য়ে উক্ত নিৰ্দেশ মৰ্মে এখন ভোজ মেলৰ আয়োজন কৰিছিল আৰু আঁ-হজৰত (ছাঃ)য়ে নিজৰ আত্মীয় স্বজনক যি সেই সময়ত প্ৰায় চল্লিশ জন মান আছিল; উক্ত আয়োজনত নিমন্ত্ৰণ জনাইছিল। যেতিয়া লোকসকলে খোৱা-লোৱা শেষ কৰি বহিছিল তেতিয়া আঁ-হজৰত (ছাঃ)য়ে কিছু কথা ভাষণ আকাৰে তেওঁলোকক ক'ব বিচাৰিছিল কিন্তু দুৰ্ভগীয়া আবু লাহাবে এনেকুৱা কিছুমান কথা কৈছিল যাৰ ফলত সকলোৱে তাৰ পৰা উঠি গুচি গৈছিল; এই অৱস্থা দেখি আঁ-হজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক কৈছিল যে এইবাৰ সকলো চেষ্টা ব্যৰ্থ হ'ল, গতিকে আকৌ এনে ভোজ মেলৰ আয়োজন কৰা। এনেদৰে তেখেত (ছাঃ)য়ে তেওঁলোকক কৈছিল হে বনু আব্দুল মুতালিব! মই তোমালোকক এনেকুৱা এটা কথা ক'বলৈ ওলাইছো যে ইয়াতকৈ ডাঙৰ আৰু ভাল কথা কোনো ব্যক্তিয়েই নিজৰ কবিলাক জনোৱা নাই। মই তোমালোকক খোদা তা'লাৰ ফালে আহ্বান কৰিছোঁ। যদি তোমালোকে মোৰ কথা মানি লোৱা তেন্তে তোমালোকে দ্বীন আৰু জাগতিক উৎকৃষ্ট অনুগ্ৰহৰাজীৰ অংশীদাৰ হ'ব পাৰিবা। এতিয়া কোৱা এই কামত কোনে মোক সহায় কৰিব ? তেতিয়া সমবেত হোৱা সকলো লোকেই নিমাত হৈ পৰিছিল; বৈঠকৰ চাৰিওফালে এক নীৰৱতা বিৰাজ কৰিছিল। অকলে এফালৰ পৰা এজন তেৰ বছৰীয়া ক্ষীণ দুৰ্বল বালক; যাৰ চকুযুৰিত চকুলো ভাহি গৈছিল; থিয় হৈছিল আৰু কৈছিল সম্ভৱত মই সকলোতকৈ দুৰ্বল আৰু সকলোতকৈ সৰু কিন্তু মই আপোনাৰ লগত থাকিম। এয়া আছিল হজৰত আলি (ৰাঃ)ৰ হৃদয় স্পৰ্শী কৰুণ মাত।

আঁ-হজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ এই মাত শুনি আত্মীয় স্বজনৰ ফালে চাই কৈছিল যদি তোমালোকে ভাৱা তেন্তে এইজন বালকৰ কথা শুনা আৰু সেয়া মানি লোৱা। উপস্থিত লোকসকলে এই দৃশ্য দেখি জ্ঞান অনুধাৱন কৰাৰ সলনি সকলোৱে খিল-খিলাই হাঁহিছিল। আবু লাহাবে নিজৰ ডাঙৰ ভায়েক আবু তালিবক কৈছিল লোৱা,এতিয়া মহম্মদ (ছাঃ)য়ে তোমালোকক আদেশ দি আছে যে তোমালোকে নিজৰ পুত্ৰৰ আনুগত্য স্বীকাৰ কৰা। এই বুলি উপস্থিত লোক সকলে ইছলাম আৰু আঁ-হজৰত (ছাঃ)ৰ অসহায় অৱস্থাৰ ওপৰত ভেঙুচালি কৰি হাঁহি হাঁহি প্ৰস্থান কৰিছিল।

আঁ-হজৰত (ছাঃ)ৰ হিজৰতৰ সময়ত হজৰত আলি (ৰাঃ) য়ে দিয়া কোৰবাণী সম্পৰ্কে বৰ্ণনা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, আল্লাহ তা'লা হজৰত আলি (ৰাঃ)ক এনেকুৱা মৰ্যাদা সম্পন্ন উচ্চ স্তৰৰ কোৰবাণী আগবঢ়োৱাৰ সৌভাগ্য দান কৰিছে যে যেতিয়া আঁ-হজৰত (ছাঃ)য়ে ৰাতি মক্কাৰ পৰা প্ৰব্ৰজন কৰিবলৈ ঘৰৰ পৰা ওলাবলৈ লৈছিল তেতিয়া হজৰত আলি (ৰাঃ)ক কৈছিল যে তুমি মোৰ বিছনাত শুই থাকা যাতে কাফিৰ সকলে জুমি চালে দেখিবলৈ পায় যে কোনোবাই বিছনাত শুই আছে আৰু তেওঁলোকে যাতে মোক বিচাৰিবলৈ ইফালে সিফালে ওলাই নপৰে। তেতিয়া হজৰত আলি (ৰাঃ)য়ে আপত্তি নকৰি স্বৰূপে এয়াও কোৱা নাছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) ঘৰৰ চাৰিওফালে কুৰাইছ সকলৰ বাছনি কৰা ডেকা সকলে হাতত তৰোৱাল লৈ পহৰা দি আছে। যদি ৰাতিপুৱা তেওঁলোকে জানিব পাৰে যে আপুনি বাহিৰত কৰবালৈ গৈছে গৈ, তেন্তে তেওঁলোকে মোৰ ওপৰত আক্ৰমণ চলাব আৰু মোক হত্যা কৰি পেলাব বৰং এখেত (ৰাঃ)য়ে স্থিৰচিত্তে ৰছুলে কৰীম (ছাঃ)ৰ বিছনাত শুই পৰিছিল আৰু তেখেত (ছাঃ)য়ে নিজৰ চাদৰ হজৰত আলি (ৰাঃ)ৰ ওপৰত পাৰি দিছিল। যেতিয়া ৰাতি পুৱাই গৈছিল আৰু কুৰাইছ সকলে দেখিছিল যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ সলনি হজৰত আলি (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ

বিছনাৰ পৰা উঠি আছে তেতিয়া তেওঁলোকে নিজৰ বিফলতাৰ কাৰণে দাঁত কিট-কিটাই হজৰত আলি (ৰাঃ)ক ধৰি মাৰপিট কৰিছিল। কিন্তু মাৰধৰ কৰিনো আৰু কি লাভ হ'ব পাৰে; খোদা তা'লাৰ ইচ্ছা পূৰ্ণ হৈ গৈছে আৰু মহম্মদ ৰছুলুল্লাহ (ছাঃ) নিৰাপদে মক্কাৰ বাহিৰত ওলাই পৰিছে।

সেই সময়ত হজৰত আলি (ৰাঃ)ৰ একোৰে জনা নাছিল যে এই ঈমানৰ পৰিৱৰ্তে তেওঁ কি লাভ কৰিব ? কিন্তু আল্লাহ তা'লা নিৰূপন কৰিছিল যে এই কোৰবাণীৰ প্ৰতিদান হিচাপে কেৱল হজৰত আলি (ৰাঃ)য়েই সন্মানিত নহয় বৰং হজৰত আলি (ৰাঃ)ৰ সন্তান-সন্ততি সকলেও সন্মান লাভ কৰিব। গতিকে আল্লাহ তা'লা হজৰত আলি (ৰাঃ)ৰ ওপৰত এয়া কৃপা কৰিছিল যে এখেত (ৰাঃ)য়ে ৰছুলে কৰীম (ছাঃ)ৰ জোৱায়েক হোৱাৰ সৌভাগ্য লভিছিল। দ্বিতীয়তে আল্লাহ তা'লা এখেত (ৰাঃ)ৰ ওপৰত এনেকুৱা কৰুণা দান কৰিছিল যে ৰছুলে কৰীম (ছাঃ)ৰ হৃদয়ত হজৰত আলি (ৰাঃ)ৰ প্ৰতি ইমানেই ভালপোৱা আৰু মৰম উপজাই দিছিল যে তেখেত (ছাঃ)য়ে বাৰে বাৰে হজৰত আলি (ৰাঃ)ৰ প্ৰশংসা কৰিছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম ডাঃ তাহিৰ মেহমুদ চাহাব শ্বহীদ (পাকিস্তান) যাক আহমদীৰ বিৰোধীসকলে ২০ নৱেম্বৰত নমাজে জুমাৰ পিছত গুলীয়াই শ্বহীদ কৰি দিছিল। এনেদৰে মকৰম জামাল উদ্দিন মেহমুদ চাহাব অফ ছেৰালিউন; মকৰমা আমতুচ্ছালাম চাহিবা পত্নী মকৰম চৌধুৰী চালাহ উদ্দিন কুৰাইছি চাহাবৰ পৱিত্ৰ গুনাৱলী বৰ্ণনাৰ পিছত নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**KHULASA KHUTBA JUMA HUZOOR ANWAR (aba) 27 NOVEMBER 2020**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844